


অসম আদিত্য

# ডিব্ৰু কলেজত 'সৰ্প দংশন-অন্ধবিশ্বাস' শীৰ্ষক বক্তৃতানুষ্ঠানত ডাঃ সুৰজিৎ গিৰি



**ষ্টাফ ৰিপৰ্টাৰ, ২৮ ছেপ্টেম্বৰ ঃ** অসম তথা উত্তৰ-পূৰ্বাঞ্চলত ৭৪ টা প্ৰজাতিৰ সাপৰ ভিতৰত মাত্ৰ ছবিধ সাপহে বিষাক্ত। এইকেইবিধ হৈছে পিট ভাইপাৰ, ক'লা শংখচূড়, ৰজাফেঁটী, ৰঙামুৰীয়া, শকা আৰু চকৰি ফেঁটী সাপ। এইসমূহ বিষাক্ত সাপে খুঁটিলেও মানুহে ভয় খাব নালাগে। ইয়াৰ চিকিৎসা আছে। কিন্তু যিমান পাৰি সোনকালে দংশন কৰা ব্যক্তিক চিকিৎসালয়ত ভৰ্তি কৰাৰ ব্যৱস্থা কৰিব লাগে। তদুপৰি দংশন কৰা স্থানত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি নকৰি যিটো অংগত সাপে খুঁটিছে সেই অংগটো পৰাপক্ষত লৰচৰ নকৰাকৈ দংশন কৰা স্থানৰ কাষত নবন্ধাকৈ আৰু দংশন কৰা স্থানটো নোধোৱাকৈ পৰাপক্ষত হস্পিতেল পোৱাৰ ব্যৱস্থা কৰা উচিত।— এই বক্তব্য বিশিষ্ট সৰ্প বিশেষজ্ঞ, গৱেষক, সমাজকৰ্মী তথা ডিমৌ গ্ৰাম্য চিকিৎসালয়ৰ সংজ্ঞাহাৰক বিশেষজ্ঞ ডাঃ সুৰজিৎ গিৰিৰ। ডিব্ৰুগড়ত আজি বিয়লি ডিব্ৰু কলেজৰ প্ৰাণীবিদ্যা বিভাগ আৰু আইকিউএচিৰ যৌথ উদ্যোগত আয়োজিত 'সৰ্প দংশন আৰু অন্ধবিশ্বাস' শীৰ্ষক বিষয়ত সমল ব্যক্তি হিচাপে বক্তৃতা প্ৰদান কৰি এইদৰে কয় ডাঃ গিৰিয়ে। সাপৰ স'তে সম্পৰ্কিত বিভিন্ন অন্ধবিশ্বাসৰ বিৰোধিতা কৰি ডাঃ গিৰিয়ে ভাষণত কয় যে সাপে প্ৰকৃতিৰ ভাৰসাম্যতা ৰক্ষা কৰি মানুহৰ স'তে বন্ধুৰ দৰেহে থাকে। বিপৰীতে তেওঁলোকক দেখিলেই মাৰি পেলোৱাৰ প্ৰৱণতা আজিৰ যুগত ত্যাগ কৰা উচিত। সাপে মানুহক দংশন কৰা কাৰ্য একপ্ৰকাৰ দুৰ্ঘটনা বুলি অভিহিত কৰি ডাঃ গিৰিয়ে আৰু কয় যে আঘাত নকৰিলে সাপে কেতিয়াও মানুহক দংশন নকৰে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত ৮০ শতাংশ লোককেই বিষহীন সাপে দংশন কৰাৰ ফলত মৃত্যু নোহোৱাৰ বিপৰীতে এনে সাপে দংশন কৰা লোকক বেজ-তান্ত্ৰিকে জৰাফুকা কৰি ভাল কৰি দিয়া বুলি কৰা বিশ্বাস দৰাচলতে এক অন্ধবিশ্বাস। ইয়াক পৰিহাৰ কৰি সাপৰ স'তে সহাৱস্থান কৰিবলৈ মজিয়াত শুবলৈ বাদ দিয়া, সদায় আঁঠুৱা তৰি শুৱাকে ধৰি ঘৰৰ কাষত অলাগতিয়াল সামগ্ৰী, জাৱৰৰ দ'ম নকৰা, আন্ধাৰত টৰ্চ লাইট লৈ খোজ কঢ়া আদি ব্যৱস্থা গ্ৰহণৰ বাবে ডাঃ গিৰিয়ে আহ্বান জনায়। ভাষণত ডাঃ গিৰিয়ে ডব্লিউ এইছ অ'ৰ উদ্ধৃতিৰে কয় যে প্ৰতি বছৰে বিশ্বত সৰ্প দংশনত ১ লাখ ৪৫ হাজাৰ লোকৰ মৃত্যুৰ মুখত পৰাৰ বিপৰীতে ভাৰতবৰ্ষত বছৰি ৫৮ হাজাৰ আৰু প্ৰত্যেক দিনাই ১৫৮ গৰাকী লোকৰ মৃত্যু হয়। অসমত বৰ্তমান কিছু সজাগতাৰ ফলশ্ৰুতিত ১২৭ জন লোক বিষাক্ত সৰ্পৰ দংশনৰ পৰা চিকিৎসাৰ জৰিয়তে মৃত্যুমুখৰ পৰা বাচিবলৈ সক্ষম হৈছে আৰু মাত্ৰ তিনিগৰাকী লোকৰ মৃত্যু হৈছে। সজাগতাৰ জৰিয়তে মৃত্যুৰ সংখ্যা ২০২৫ চনত শূন্যলৈ আনিব পৰা যাব বুলি আশা প্ৰকাশ কৰি ডাঃ গিৰিয়ে গ্ৰাম্য অঞ্চলত সৰ্প দংশনৰ প্ৰাদুৰ্ভাৱ বৃদ্ধিৰ হেতুকে ৰাজ্যখনৰ গ্ৰাম্য চিকিৎসালয়ৰ ১৪১ জন চিকিৎসকক এইসম্পৰ্কত যাৱতীয় প্ৰশিক্ষণ তথা চিকিৎসা সম্পৰ্কীয় জ্ঞান প্ৰদান কৰা হৈছে বুলিও জানিবলৈ দিয়ে। অনুষ্ঠানত অধ্যাপকসকলৰ লগতে ছাত্ৰ-ছাত্ৰীয়ে সোধা বিভিন্ন প্ৰশ্নবো উত্তৰ দিয়ে ডাঃ গিৰিয়ে। অনুষ্ঠানত কিতবৰ্ষত কলেজখনৰ ভিতৰত বিভাগটোৰ শ্ৰেষ্ঠ স্নাতক মম্পী চৌহানক গ্ৰন্থ, স্মাৰক আৰু নগদ ধনেৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বিভাগীয় ছাত্ৰী অৰ্পিতা দত্তই আঁতধৰা আৰু প্ৰাণীবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড০ জ্যোতিমা যুৰবনে আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানৰ আৰম্ভণিতে সমল ব্যক্তি ডাঃ গিৰিক কলেজখনৰ তৰফৰ পৰা প্ৰশংসা-পত্ৰ আৰু মিচিং জনগোষ্ঠীৰ অংগবস্ত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অধ্যাপিকা নীলাক্ষি বৰাই শলাগ জ্ঞাপন কৰা অনুষ্ঠানত কলেজখনৰ অধ্যক্ষ ড০ ৰঞ্জন চাংমাই, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ পৰেশ বৰুৱা, কানৈ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ টিকেন্দ্ৰজিৎ গগৈ, জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকাকে ধৰি ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকসকল উপস্থিত থাকে।